# কৰমগাঁও যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী

## জে ভি ৰেঞ্জ, ডবকা, নগাঁও দক্ষিণ সংমণ্ডল

## উত্তৰ অসম চক্র এলেকা

# ক্ষুদ্র প্রকল্প আঁচনি

(২০১৬-১৭ৰ পৰা ২০২৫-২৬)

প্রস্তুতকর্তা ঃ কৰমগাঁও জে এফ এম চি

সহযোগ

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্পেল'

(আই আই ই, আৰ জি ভি এন আৰু চি এম এল)

জুলাই-২০১৬

Approved

Divisional Forest Officer
Nagaon South Division
Hojai.

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| AfD | French Development Agency |
| (এ এফ ডি) | (উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| APFBC | Assam Project on Forest and Bio-diversity Conservation |
| (এ পি এফ বি চি) | (বনাঞ্চল আৰু জৈৱ-বৈচিত্র্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| APL | Above Poverty Line |
| (এ পি এল) | (দাৰিদ্র্য সীমাৰেখাৰ ওপৰ) |
| BPL | Bellow Poverty Line |
| (বি পি এল) | (দাৰিদ্র্য সীমাৰেখাৰ তলৰ) |
| CML | Centre for Microfinance and Livelihood |
| (চি এম এল) | (জীৱিকা আৰু ক্ষুদ্ৰ বিত্তীয় বিনিয়োগ কেন্দ্ৰ) |
| COMPELO | Consortium for Micro Planning and Enhancing Livelihood Opportunities |
| (ক'মপেল') | (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| DFO | Divisional Forest Officer |
| (ডি এফ অ') | (মাণ্ডলিক বন বিষয়া) |
| EDC | Eco-Development Committee |
| (ই ডি চি) | (পৰিৱেশ উন্নয়ন কমিটী) |
| EPA | Entry Point Activities |
| (ই পি এ) | (প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| FCA | Forests (conservation) Act, 1981 |
| (এফ চি এ) | (বন সংৰক্ষণ আইন ১৯৮১) |
| FD | Forests Deprtment |
| (এফ ডি) | (বন বিভাগ) |
| FRA | Forests Rights Act |
| (এফ আৰ এ) | (বনাঞ্চল অধিকাৰ আইন) |
| FV | Forests Village |
| (এফ ভি) | (বনাঞ্চলীয় গাঁও) |
| FYP | Five Year Plan |
| (এফ ৱাই পি) | (পঞ্চবাৰ্ষিক পৰিকল্পনা) |
| GHG | Green House Gases |
| (জি এইচ জি) | (সেউজ গৃহ বায়ুমণ্ডল) |
| GoI | Government of India |
| (জি অ' আই) | (ভাৰত চৰকাৰ) |
| GP | Gaon Panchayat |
| (জি পি) | (গাঁও পঞ্চায়ত) |
| Ha | Hectare |
| (হে) | হেক্টৰ (মাটিকালি) |
| IIE | Indian Institute of Entrepreneurship |
| আই আই ই | (ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| JFMC | Joint Forest Management Committee |
| (জে এফ এম চি) | (যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী) |
| NTFP | Non Timber Forest Product |
| (এন টি এফ পি) | (কাঠবিহীন বনজ উৎপাদিত সামগ্ৰী) |

| | |
|---|---|
| OBC | Other Backward Classes |
| (অ' বি চি) | (অন্যান্য পিছপৰা শ্ৰেণী) |
| PHC | Primary Health Centre |
| (পি এইচ ই) | (প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ) |
| PMU | Project Monitoring Unit |
| (পি এম ইউ) | (প্ৰকল্প নিৰীক্ষণ গোট) |
| PRA | Participatory Rural Appraisal |
| (পি আৰ এ) | (গ্ৰাম্য অংশগ্ৰহণকাৰীৰ অভিমত) |
| SC | Scheduled Caste |
| (এছ চি) | (অনুসূচিত জাতি) |
| SDG | Sustainable Development Goals |
| (এছ ডি জি) | (দীৰ্ঘম্যাদী বিকাশৰ লক্ষ্য) |
| ST | Scheduled Tribes |
| (এছ টি) | (অনুসূচিত জনজাতি) |
| WPC | Working Plan Circle |
| (ডব্লিউ পি চি) | (কাৰ্য পৰিকল্পনা) |

# কৰমগাঁও যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী
## জে ভি ৰেঞ্জ, ডবকা, নগাঁও দক্ষিণ বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ প্ৰকল্প আঁচনি
## (জীৱিকা বিকাশ পৰিকল্পনা আৰু বনাঞ্চল উন্নীতকৰণ আঁচনি)

# সূচীপত্ৰ


| | | |
|---|---|---|
| (১) | পাতনি ঃ ...................................................................... | ৫ |
| (২) | গ্ৰাম্য আৰ্থ-সামাজিক পৰিচয়............................................ | ৬ |
| (৩) | জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ.................................... | ১০ |
| (৪) | জীৱিকা বিকাশ পৰিকল্পনা................................................ | ১৫ |
| (৫) | বনাঞ্চল বিকাশ আঁচনি................................................... | ১৬ |
| (৬) | অতিৰিক্ত অনুসূচী- ১ ..................................................... | ২৮ |
| | জীৱিকা সৃষ্টিৰ কাৰ্যব্যৱস্থাৰ বাবে চিহ্নিত হিতাধিকাৰীৰ তালিকা | |
| | ১. পশুধনৰ বাবে (গাহৰি পালন) | |

## (১) পাতনি

**প্ৰকল্প আঁচনিৰ বিষয়ে** ঃ বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প, অসম (এপিএফবিচি)ৰ মূল লক্ষ্য হৈছে 'অসমত এক দীৰ্ঘম্যাদী বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থাপনা স্থাপন কৰাৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল নিৰ্ধাৰিত অঞ্চলৰ জনসমুদায়সমূহক বনাঞ্চল তথা বনাঞ্চল বহিৰ্ভূত সম্পদেৰে তেওঁলোকৰ দৈনন্দিন জীৱিকাৰ সুবিধা মুকলিৰ বাবে এক বহুমুখী আঁচনিৰ কাৰ্য ৰূপায়ণ কৰা। এই প্ৰকল্পৰ মূল উদ্দেশ্য বৰ্ণোৱা হৈছে এইদৰে— বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনসমুদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকাৰ সুযোগ বৃদ্ধিৰ লগতে বনাঞ্চলৰ পাৰিপাৰ্শ্বিক পৰিৱেশ পুনৰুজ্জীৱিত কৰা আৰু জৈৱ-বৈচিত্ৰ্যৰ দীৰ্ঘম্যাদী ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ নিশ্চিত কৰা।

এই প্ৰকল্পৰ বাবে অসম চৰকাৰৰ সহযোগত মূলতঃ এএফডি (এজেন্সী ফ্ৰেন্স দ্য ডেভেলপমেণ্ট) নামৰ ফ্ৰান্সৰ উন্নয়নকামী সংস্থাই বিত্তীয় সহযোগ আগবঢ়াইছে। বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প সমিতি, অসম (এপিএফবিচি সমিতি)ক এই প্ৰকল্প আঁচনিৰ কাৰ্য ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা, নিৰীক্ষণ, সহযোগিতা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

**ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ বিকাশ** ঃ বজাৰ সম্ভাৱনাপূৰ্ণ মান নিৰ্ণয়েৰে দৈনন্দিন জীৱিকাক উদগনি যোগাবলৈ বৰ্তমানৰ প্ৰকল্প আঁচনিয়ে উদ্যমিতা বিকাশত উদগনি যোগোৱাৰ লগতে এই প্ৰকল্পৰ অধীনত উৎপাদিত সামগ্ৰীৰ মান নিৰ্ণয় আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থাৰ লক্ষ্য ৰাখিছে। সাম্প্ৰতিক সময়ত জনসংখ্যাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানৰ বনজ সম্পদৰ ওপৰত আহি পৰা অহেতুক হেঁচাৰ বাবেই ই অতি আৱশ্যকীয় হৈ পৰিছে। সেয়ে বজাৰ সম্ভাৱনাৰ ওপৰত লক্ষ্য ৰাখি সাম্প্ৰতিক বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যৰ উৎপাদিত সামগ্ৰী তথা সেৱাৰ মান বিকশাই তোলাটো অতি আৱশ্যক হৈ পৰিছে। ইয়াৰ উপৰি বনজ সম্পদ বহিৰ্ভূত জীৱিকাৰ সন্ধান উদ্ভৱ কৰিবলৈ সংশ্লিষ্ট জনসমুদায়ৰ সদস্যসকলৰ দক্ষতা বিকাশৰ মাধ্যমেৰে তেওঁলোকৰ সক্ষমতা বৃদ্ধিৰ আৱশ্যকতাও আহি পৰিছে।

ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আইআইই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰজিভিএন) তথা ক্ষুদ্ৰ বিনিয়োগ কেন্দ্ৰ আৰু জীৱিকা শীৰ্ষক (চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেঞ্চ এণ্ড লাইভলিহুড) নামৰ প্ৰতিষ্ঠান কেইটাক লৈ গঠিত মহাজোঁটে এই প্ৰকল্প আঁচনিৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ কাৰ্য আঁচনি ৰূপায়ণ কৰিব। এই মহাজোঁটক 'Consortium for Micro Planning and Enhanching Livelihood Opportunittes– COMPLEO' (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) ক'ম্‌পেল' হিচাপে নামকৰণ কৰা হৈছে।

প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি এই ক্ষুদ্ৰ পৰিকল্পনাৰ ভিতৰত 'বন বিভাগ আৰু গাঁওসমূহৰ বিভিন্ন কাৰ্যব্যৱস্থা... বনাঞ্চল নিৰ্ভৰশীল ব্যক্তিসমূহৰ জীৱিকালৈ আগবঢ়োৱা সহযোগিতা আৰু মূলতঃ দীৰ্ঘম্যাদী বন ব্যৱস্থাপনাৰ বিষয় অন্তৰ্নিহিত হৈ আছে। ইয়াৰ লগতে আছে বনাঞ্চলৰ

উন্নয়ন আৰু জীৱিকাৰ বিকাশৰ বিষয়ে।

কৰমগাঁও জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা ঃ অসমৰ হোজাই জিলাত অৱস্থিত কৰমগাঁও জে এফ এম চিৰ বাবে এই শিতানত ক্ষুদ্ৰ পৰিকল্পনা নিৰ্ধাৰণ কৰা হৈছে। বনাঞ্চল উজ্জীৱিতকৰণ আৰু বনানীকৰণৰ বাবে এই জে এফ এম চি (যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী) সামাজিক বনানীকৰণ বিভাগ, নগাঁও দক্ষিণ সংমণ্ডলৰ অধীনস্থ।

বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনাৰ আঁচনিখন স্থানীয় পুৰুষ-মহিলা তথা স্থানীয় জনসমুদায়ৰ সদস্যসকলে প্ৰস্তুত কৰিছে। উল্লেখ্য যে ২০১৬ চনৰ জুন মাহত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই)ৰ সহযোগী কৰ্মী আৰু সংশ্লিষ্ট এলেকাৰ জনসমুদায়ৰ সদস্যৰ প্ৰচেষ্টাত ‘গ্ৰামীণ সহযোগকাৰীৰ সহমত’ (পি আৰ এ)ৰ আশাশুধীয়া ফলাফল হিচাপে আঁচনিৰ ৰূপ পাইছে। এই ক্ষুদ্ৰ পৰিকল্পনা আঁচনিখন প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি আই আই ইয়ে প্ৰস্তুত কৰি উলিয়াইছে। এই আঁচনিখন গ্ৰহণ কৰাৰ বাবে জুন, ২০১৬ত আলোচনামৰ্মে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক পৰিচয়

**স্থান** ঃ কৰমগাঁও যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী (জে এফ এম চি) গঠন কৰা হৈছিল কৰমগাঁও অঞ্চলত বসবাস কৰা জনসমুদায়ৰ কল্যাণৰ অৰ্থে। এই গাঁওখন জে ভি ডবকা সামাজিক বনাঞ্চলৰ সীমান্তৱৰ্তী। নিৰ্দিষ্ট এলেকাটো হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰ এলেকাধীন তথা সংশ্লিষ্ট জে এফ এম চিৰ আওতাত অৱস্থিত।

**অতিৰিক্ত সূচী (১)ত গ্ৰাম্য মানচিত্ৰ দিয়া হৈছে।**

**প্ৰধান তথ্যসমূহ** ঃ **জে এফ এম চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ’ল—**

**তালিকা (ক) জে এফ এম চিৰ প্ৰধান তথ্যসমূহ—**

| | |
|---|---|
| জে এফ এম চিৰ নাম | কৰমগাঁও |
| আৱাসীয় সমুদায় | কৰমগাঁও |
| ৰাজহ গাঁৱৰ নাম | কৰমগাঁও |
| গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম | আকাশীগংগা |
| ৰাজহ চক্ৰ | ডবকা |
| জিলা | হোজাই |
| বন সংমণ্ডল | দক্ষিণ নগাঁও |
| ফৰেষ্ট ৰেঞ্জ | জে ভি ৰেঞ্জ, ডবকা |
| বনাঞ্চল বীট | হালধিআটী |
| এলেকা গঠন বৰ্ষ | ২০১৩ |
| জে এফ এম চিৰ সীমা বৰ্ণনা | উল্লেখ কৰা ধৰণে<br>উত্তৰে ঃ উৰ্দ্ধগংগা নদী<br>দক্ষিণে ঃ আকাশীগংগা, থান নদী<br>পশ্চিমে ঃ ডবকা আৰ এফ (ক্লুৰ্দুং পৰ্বত)<br>পূবে ঃ ধাননি পথাৰ |

**উৎস ঃ** জুন ২০১৬ত পি আৰ এ অনুশীলনত জে এফ এম চিৰ সৈতে হোৱা আলোচনা আৰু সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

কাৰ্যনিৰ্বাহক কমিটী আৰু
সাধাৰণ সভাৰ চমু বিৱৰণ ঃ নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৱৰণ প্ৰকাশ কৰা হ'ল—

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৱৰণ**

| | |
|---|---|
| সভাপতিৰ নাম | অনিল তিমুং |
| সম্পাদকৰ নাম | মহেশ চন্দ্ৰ নাথ, ফৰেষ্টাৰ- ১ |
| কোষাধ্যক্ষৰ নাম | প্ৰভাতছিং তিমুং |
| কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা | পুৰুষ- ৮, মহিলা- ৩ |
| সাধাৰণ সভাৰ সদস্য সংখ্যা | ৬৫, উপস্থিত প্ৰতিঘৰৰ মুৰব্বীসকল |

**উৎস** ঃ জে এফ এম চিৰ পৰা সংগৃহীত তথ্য।

**আৱাস গৃহ আৰু জনসংখ্যা গাঁথনি** ঃ গাঁওখনত ৬৫টা আৱাস গৃহ আছে। আৱাসসমূহৰ ভিতৰত কোনো মহিলাৰ নেতৃত্বত পৰিয়াল নাই। মুঠ জনসংখ্যা ২৫০। ইয়াৰে ১২৭গৰাকী পুৰুষ আৰু ১২৩গৰাকী মহিলা। গাঁওখনৰ সকলো জনসংখ্যা অনুসূচিত জনজাতিৰ লোক। এটা পৰিয়াল মুছলমান সম্প্ৰদায়ৰ। তালিকা-২, ৰেকৰ্ড (১)ৰ তথ্যৰ পৰা পৰ্যালোচনাৰ বাবে বিবেচনা হ'ব পাৰে। ইয়াৰ পৰা উপলব্ধি কৰা হ'ল—

(১) প্ৰতি আৱাসত গড় ব্যক্তিৰ সংখ্যা-৩.৮ (৬৫ পৰিয়াল)

(২) লিংগৰ অনুপাত ঃ প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৬৮গৰাকী।

**শিক্ষা আৰু দক্ষতা বিকাশ** ঃ ৭৫ শতাংশৰো অধিক জনসংখ্যা লিখা-পঢ়া কৰা লোক। বেছিসংখ্যক ব্যক্তিয়েই বিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে। আনহাতে, গাঁওখনৰ কমসংখ্যক লোকেহে মহাবিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰিছে। জীৱিকাৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাপনাৰ পৰা আহৰণ কৰা দেখা যায়। জে এফ এম চিৰ অধীনস্থ এলেকাৰ দক্ষতা আহৰণৰ অনানুষ্ঠানিক মাধ্যমটো পৰম্পৰাগত। নিম্নোক্ত ক্ষেত্ৰসমূহত সাধাৰণ লোকসকলে পৰম্পৰাগত দক্ষতা লাভ কৰা দেখা যায়—
(ক) হস্ততাঁত, (খ) ৰাজমিস্ত্ৰী, (গ) পশুপালন
(ঘ) কৃষি, (ঙ) বাঁহ-বেত, (চ) ৰেচম
চৰকাৰে সমগ্ৰ দেশ তথা ৰাজ্যসমূহত দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণত ব্ৰতী হৈছে। কিন্তু আৱাসিক এলেকাসমূহত বা ইয়াৰ ওচৰে-পাঁজৰে এনে কাৰ্য আঁচনি ৰূপায়ণ কৰা হোৱা নাই।

**মাটি** ঃ **প্ৰকল্প এলেকাৰ মাটিৰ গুণমান ঃ** সমতল ভূমিত বালিৰ স্তূপ পোৱা যায়। এইধৰণৰ মাটি বিভিন্ন শস্য উৎপাদনৰ বাবে উপযোগী হ'ব পাৰে। কিয়নো এনেধৰণৰ মাটি উৰ্বৰ বুলি কোৱা হয়।

**পানী** ঃ এলেকাটোৰ মাজেৰে আকাশীগংগা নৈখন ডবকাৰ পাহাৰৰ পৰা বৈ আহি উত্তৰপাৰে থকা ব্ৰহ্মপুত্ৰ নৈত পৰিছে। ই গোটেই বছৰজুৰি বৈ থাকে।

**বতৰ, তাপমান আৰু বৰষুণ** ঃ অঞ্চলটোত গ্ৰীষ্মকালত সৰ্বাধিক তাপমান ৪০° চেলছিয়াচ আৰু শীতকালত সৰ্বনিম্ন তাপমান ৮°-১০° চেলছিয়াচপৰ্যন্ত হয়। বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ৩০০ মিঃমিঃ। বৰ্ষা ঋতুৰ সময়ত ঘাইকৈ জুন-ছেপ্টেম্বৰ মাহত মুঠ দুই-তৃতীয়াংশ বৰষুণ হয়। বৰষুণৰ বতৰৰ মাহকেইটাত গাঁওখনত জলীয় বাষ্পৰ পৰিমাণৰ ৯৫ শতাংশৰো অধিক হয় আৰু শীত কালত ২৫ শতাংশৰ তলত

থাকে।

**বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য** ঃ স্থানীয় বনাঞ্চল এলেকা পতনশীল আৰু ঘন। এই অঞ্চলটোত বাঁহ, নিম, আমলখি, শিলিখা, অৰ্জুন, টিক, জুই খৰিৰ গছ তথা অন্যান্য ঔষধি গছ পোৱা যায়।

**(এই সম্পৰ্কত 'বনাঞ্চল উন্নয়ন আঁচনি'ত অতিৰিক্ত তথ্য সন্নিৱিষ্ট কৰা হৈছে।)**

**ব্যৱহাৰিক মাটিকালিৰ ধৰণ** ঃ **অনুসূচী (২)**ত গাঁওখনৰ ব্যৱহাৰিক মাটিকালিৰ বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। উক্ত তথ্যৰ পৰা মাটিৰ ব্যৱহাৰৰ নিম্নোক্ত ছবি এখন দাঙি ধৰা হ'ল—

কৃষিভূমি (দ অঞ্চল)- ৫ শতাংশ
খৰিৰ বাবে গছ ৰোপণ- ৮০ শতাংশ
ধাননি পথাৰ- ৫ শতাংশ
ঔষধি গছ- ২ শতাংশ
নিষ্পত্তি এলেকা- ৩ শতাংশ
বাঁহ খেতি- ৩ শতাংশ

**স্বত্বাধিকাৰত থকা মাটি** ঃ **ৰেকৰ্ড-১**ৰ তালিকা- ৩ৰ তথ্যমৰ্মে আৱাসীয় লোকসকলৰ অধিকৃত মাটিৰ পৰিমাণ—

- ১৩.৯৫ শতাংশ আৱাসীয় পৰিয়াল ভূমিহীন (৬টা পৰিয়াল)।
- ৮২ শতাংশ আৱাসীয় পৰিয়াল মধ্যম বৰ্গীয় খেতিয়ক (৩৫টা পৰিয়াল)
- ৫ শতাংশ পৰিয়ালৰ ক্ষুদ্ৰ খেতিয়ক (২টা পৰিয়াল)

**পশুধন** ঃ গাঁওখনত সৰ্বমুঠ পশুধনৰ সংখ্যা হৈছে ১৬৬টা। আৱাসীয় পৰিয়ালসমূহৰ মজুত থকা প্ৰধান পশুধন হৈছে—
গাইগৰু ঃ ১৬টা
ছাগলী ঃ নাই
হাঁহ-কুকুৰা- ৫০টা
ম'হ- নাই
বলদ গৰু ঃ নাই
গাহৰি ঃ ৭০টা
ভেঁৰা- ৩০টা
**ৰেকৰ্ড ঃ ১**ৰ তালিকা- ৪ত এই সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ যিকোনো জনসমুদায়ত দীৰ্ঘম্যাদী জীৱিকাৰ বিকল্প সুবিধাৰ বাবে ন্যূনতম আন্তঃগাঁথনিয়েহে বাট মুকলি কৰে। বৰ্তমানৰ পৰিস্থিতিত গাঁওখনৰ আন্তঃগাঁথনিৰ বাস্তৱ স্থিতি সন্তোষজনক নহয়। এই সম্পৰ্কত ৰেকৰ্ড-১ৰ তালিকা- ৫ত বাস্তৱ স্থিতি দৰ্শোৱা হৈছে।

**ব্যৱহাৰিক আন্তঃগাঁথনি ঃ** আৱাসীয় লোকসকলে ন্যূনতম ব্যৱহাৰিক সা-সুবিধা যেনে— পথ যোগাযোগ, বিদ্যুৎ, খোৱাপানী যোগান, ম'বাইল যোগাযোগ আদিৰ পৰা বঞ্চিত হৈছে। প্ৰায়ভাগ পথেই কেঁচা।

**শিক্ষা আৰু স্বাস্থ্যসেৱা ঃ** গাঁওখনত শিক্ষা খণ্ডত ন্যূনতম সুবিধা আছে। স্বাস্থ্যসেৱাৰ ব্যৱস্থা নাই। ৰাজহুৱা যাতায়াত ব্যৱস্থা নাই আৰু অঞ্চলটোৰ লোকসকলে ঘূৰা-ফুৰা কৰিবলৈ চাইকেল ব্যৱহাৰ কৰে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে— আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ফৰেষ্ট বিট অফিচ)

গাঁওখনৰ পৰা দুই কিঃ মিঃ দূৰত অৱস্থিত। এইক্ষেত্ৰত গাঁওবাসীয়ে নিজৰ অথবা চুবুৰীয়া অঞ্চলৰ পৰা নিয়মিত ৰাজহুৱা যাতায়াত ব্যৱস্থাৰ অভাৱত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

**বিত্তীয় লেনদেনৰ সুবিধা ঃ** বিত্তীয় লেনদেনৰ সা-সুবিধা যেনে— বেংক, ডাকঘৰ আদি গাঁওখনৰ পৰা নাতিদূৰত অৱস্থিত। সেয়ে গাঁৱৰ আৱাসীসকলৰ একাউণ্ট আদি যথেষ্ট দূৰৈত।

**কৃষিজাত উৎপাদন** ঃ গাঁওখনত কৃষিজাত উৎপাদন সম্পৰ্কত **ৰেকৰ্ড- ১ৰ তালিকা নং- ৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে। উল্লিখিত তথ্য মতে গাঁওখনত উৎপাদন হোৱা মূল কৃষিজাত সামগ্ৰীৰ তথ্য দাঙি ধৰা হ'ল—

**খাৰিফ শস্য ঃ** ধান (আইজং, পংকজ, গএগ্ৰা)।

**ৰবি শস্য ঃ** সৰিয়হ।

**অন্যান্য ঃ** আম, কঁঠাল, কবি, বেঙেনা, জলকীয়া, ফুলকবি, বিলাহী, ৰঙালাউ, পানীলাউ আদি।

উৎপাদিত সকলো খাদ্যশস্য বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ৭ত** গাঁওখনত উৎপাদিত খাদ্যশস্যৰ সবিশেষ চাব পৰা যায়। গাঁওখনৰ সৰ্বাধিকসংখ্যক পৰিয়ালে ধান আৰু শাক-পাচলি উৎপাদনত জড়িত। শস্য ৰোপণ আৰু ইয়াৰ উৎপাদনসমূহ এনেধৰণৰ—

**(ক) ধান খেতি ঃ** উৎপাদন- ১১৭০ কুইণ্টল, ফচল- ৬৮.৮২ কুইণ্টল/হেক্টৰ

**(খ) তৈল বীজ ঃ** উৎপাদন- ১৫ কুইণ্টল, ফচল- ৯.৩৮ কুইণ্টল/হেক্টৰ

**(গ) পাচলি ঃ** উৎপাদন- ৩৬০ কুইণ্টল, ফচল- ১৮.৭৫ কুইণ্টল/হেক্টৰ

**পশু খাদ্যৰ মজুত স্থিতি** ঃ গাঁওখনত পশু খাদ্যৰ মজুত স্থিতি সম্পৰ্কত ৰেকৰ্ড ১ৰ তালিকা নং-৮ত সন্নিৱিষ্ট হৈছে। উক্ত তালিকাই স্পষ্ট কৰা মতে, গাঁওখনত উপলব্ধ পশু খাদ্যৰ উৎসসমূহ হৈছে—

(ক) ধান খেতিৰ অৱশিষ্ট।

(খ) বনাঞ্চলৰ পথাৰ।

(খ) পৰিয়ালসমূহৰ ৰন্ধন খাদ্যৰ অৱশিষ্ট।

(গ) সেউজীয়া ঘাঁহ।

**বজাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ৯ত** দেখুওৱা হৈছে গাঁওখনৰ পৰা বিভিন্ন স্থানত থকা বজাৰসমূহ। গাঁওখনৰ জনসমুদায়ে লেনদেন কৰা মূল বজাৰসমূহ হৈছে—
(ক) গেলামাল/ৰাজহুৱা বিতৰণ ব্যৱস্থা ঃ ২ কিলোমিটাৰ দূৰত্বত পাৰখোৱাত।

(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ২ কিলোমিটাৰ দূৰত্বত পাৰখোৱাত।

(গ) মূল বজাৰ ঃ ২ কিলোমিটাৰ দূৰত্বত পাৰখোৱাত। ।

**জলসম্পদ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১০ত** জলসম্পদৰ তথ্য দাঙি ধৰা হৈছে। গাঁওখনত

মজুত থকা মূল জলসম্পদৰ উৎসসমূহ হৈছে—

(ক) অস্থায়ী বান্ধ

(খ) দমকল

(গ) নদী (সকলো সময়তে)

(ঘ) কুঁৱা (সকলো সময়তে)

**ইন্ধনৰ ব্যৱহাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১১**ত গাঁওখনত উপলব্ধ ইন্ধনৰ তথ্য সন্নিৱিষ্ট হৈছে। একেখিনি তথ্য তলত উল্লেখ কৰা হ'ল—

**(ক) কাঠ খৰি** ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৩০টা, উৎস ঃ বনাঞ্চল।

**(খ) কেৰাচিন** ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪০টা, উৎস ঃ ৰাজহুৱা বিতৰণ/বজাৰ।

**(গ) ৰন্ধন গেছ** ঃ নিৰ্ভৰশীল পৰিয়াল ৩টা, উৎস ঃ এজেন্সী।

**(ঘ) সৌৰবিদ্যুৎ** ঃ নিৰ্ভৰশীল পৰিয়াল ৪০টা, উৎস ঃ ব্যক্তিগত।

**আৰ্থ-সামাজিক স্থিতি**

**সামাজিক গঠন** ঃ গাঁওখন কাৰ্বি জনগোষ্ঠী সমুদায়ৰে গঠিত। আটাইসকল লোক অনুসূচিত জনগোষ্ঠীৰ। তেওঁলোকৰ মাজত উপ-জাতিগত প্ৰথা নাই। সমাজখনত গভীৰ সামাজিক পাৰ্থক্য নাই। মহিলাৰ মৰ্যাদা সন্তোষজনক দেখা যায়।

**অৰ্থনৈতিক স্থিতি** ঃ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীৱিকাৰ প্ৰধান উৎস হৈছে কৃষি, দিন মজুৰি, পশুপালন ইত্যাদি। প্ৰায়ভাগ পৰিয়ালে বছৰটোত ৬০ হাজাৰৰ পৰা ৮০ হাজাৰপৰ্যন্ত আয় কৰে। জীৱিকাৰ বাবে যুৱক বা অন্যান্যসকলৰ মাজত প্ৰব্ৰজন হোৱা দেখা নাযায়। পৰৱৰ্তী খণ্ডত অতিৰিক্ত তথ্য পোৱা যাব।

**মানচিত্ৰ** ঃ অনুসূচী-১ত পি আৰ এ অনুশীলনৰ ভিত্তিত মানচিত্ৰ দাঙি ধৰা হৈছে।

(ক) গাঁৱৰ মানচিত্ৰ

(খ) গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এৰ সদস্যসকলৰ নাম-তথ্যসহ)

(গ) গাঁৱৰ সম্পদৰ উৎসৰ মানচিত্ৰ।

## ৩ জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ভিত্তিত জীৱিকাৰ সুযোগ বিশ্লেষণ সম্পৰ্কত আৰ্হি প্ৰস্তুত কৰা হয়।

(ক) জীৱিকাৰ সমল

(খ) জীৱিকাৰ ধৰণ

(গ) সম্ভাব্য জীৱিকা— অগ্ৰাধিকাৰভিত্তিক শ্ৰেণীবদ্ধকৰণ

কৰমগাঁও জে এফ এম চিৰ জীৱিকা সম্পৰ্কীয় স্থিতি পি আৰ এ অনুশীলনৰ সময়ত পৰ্যালোচনা চলোৱা হয়। এই ক্ষেত্ৰত ডি এফ ডি আইৰ আৰ্হিৰ সহায় লোৱা হৈছে। জে এফ এম চিত বৰ্তমানৰ জীৱিকাৰ স্থিতি সম্পৰ্কত উল্লেখিত

ধৰণে চিহ্নিত কৰা হয়—

(ক) প্ৰাকৃতিক মূলধন

(খ) আন্তঃগাঁথনিগত মূলধন

(গ) সামাজিক মূলধন

(ঘ) মানৱ মূলধন

(ঙ) বিত্তীয় মূলধন

## প্ৰাকৃতিক মূলধন

কৰমগাঁও জে এফ এম চি জে ভি ৰেঞ্জ, ডবকা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত আৰু ইয়াৰ প্ৰাকৃতিক মূলধন হৈছে বাঁহ, টিক, শাল আৰু বিভিন্ন প্ৰজাতিৰ বাঁহগছ। অঞ্চলটোত মজুত একমাত্ৰ জানটোৰ নাম হৈছে ভেৰুণি ঝৰ্ণা।

অঞ্চলটোৰ গৰিষ্ঠসংখ্যক লোকেই বনাঞ্চলৰ গছ-গছনি, কাঠ খৰি, সেউজীয়া ঘাঁহ আদিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকৰ্ম আৰু পশুধন পালনৰ বাবে অঞ্চলবাসীয়ে নৈৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে।

(তালিকা নং ১০, ১১ আৰু ৩ত বিশেষ তথ্য দিয়া হৈছে।)

## আন্তঃগাঁথনিগত মূলধন

কৰমগাঁও জে এফ এম চিৰ গৰিষ্ঠসংখ্যক আৱাসী কৃষিকৰ্মৰ সৈতে জড়িত আৰু দুই হেক্টৰতকৈও কম মাটিকালি থকা এই লোকসকল সাধাৰণ খেতিয়ক।

(অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।)

গাঁওখনত মুঠ আৱাসীৰ ভিতৰত ৩টা আধা পকী ঘৰ, ২টা পকী ঘৰ আৰু বাকী সকলো কেঁচা মাটিৰ ঘৰ। আৱাসীসকলৰ ইন্ধন ব্যয়ৰ হিচাপ অনুযায়ী অধিকসংখ্যকে ঘৰুৱা তথা অন্যান্য ব্যৱহাৰৰ বাবে খৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰশীল। গাঁওখনত এল পি জি সংযোগ থকা পৰিয়াল আছে যদিও তাৰ নিৰ্ভৰযোগ্যতা তেনেই সীমিত। জে এফ এম চি এলেকাটোত এখন মাত্ৰ নিম্ন প্ৰাথমিক বিদ্যালয় আছে। অঞ্চলটোত আন কোনো শৈক্ষিক প্ৰতিষ্ঠান নাই। জলসম্পদৰ ভিতৰত কোনো পৰিয়ালৰে দমকল বা কুঁৱা নাই।

## সামাজিক মূলধন

গাঁওবাসী অজ্ঞতাৰ বাবেই জে এফ এম চিৰ সৈতে সম্পূৰ্ণৰূপে জড়িত নহয়। তেওঁলোকে নাজানে তেওঁলোকৰ ভূমিকা তথা ইয়াৰ পৰা হ'ব পৰা লাভালাভৰ বিষয়ে। গাঁওখনত কোনো আত্মসহায়ক গোট নাই। অৱশ্যে এটা অংগনৱাড়ী কেন্দ্ৰ আৰু চাৰিটা মন্দিৰ আছে, য'ত গাঁওবাসীয়ে বিভিন্ন সামাজিক মেল-মিটিং আদিত মিলিত হয়।

## মানৱ মূলধন

জে এফ এম চি এলেকাটোৰ মুঠ জনসংখ্যাৰ ভিতৰত ৭৫ শতাংশ লোক শিক্ষিত আৰু ইয়াৰে ২৫ শতাংশ লোক অশিক্ষিত। (তালিকা- ৩.৩ত তথ্য সন্নিৱিষ্ট)।

## বিত্তীয় মূলধন

জে এফ এম চি এলেকাটোত কোনো ধৰণৰ চৰকাৰী বেংক-বিত্তীয় প্ৰতিষ্ঠান নাই। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক গোটৰ পৰা ঋণ আদি সংগ্ৰহ কৰে।

অঞ্চলটোৰ ১৯৭জন লোকৰ বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোকে বিত্তীয় সা-সুবিধাৰ বিষয়ে অৱগত নহয়।

## জীৱিকাৰ ধৰণ

কৰমগাঁও জে এফ এম চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) জে এফ এম চি এলেকাৰ মুঠ আয়ৰ ভিতৰত বিশেষ জীৱিকাৰ অৱদান

(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত

(গ) সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

## পি আৰৰ এ অনুশীলনৰ মাধ্যমত অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

**পি আৰ এ অনুশীলন** ঃ তলত উল্লেখ কৰা ধৰণে কৰমগাঁৱত আই আই ই, গুৱাহাটীৰ বিশেষজ্ঞৰ দলে পি আৰ এ অনুশীলন চলায়। তাৰিখ ঃ ১৩ জুন, ২০১৬, স্থান ঃ কৰমগাঁও তিনিআলি, উপস্থিত জনসংখ্যা ঃ ৯৫জন। উপস্থিত আছিল— জে এফ এম চিৰ কৰ্মকৰ্তা, গাঁওপ্ৰধান, স্থানীয় সদস্য, বন বিভাগৰ কৰ্মচাৰী আদি।

**পি আৰ এৰ উদ্দেশ্য** ঃ মুখ্য উদ্দেশ্য হৈছে— বনাঞ্চল উন্নয়ন আঁচনিৰ লগতে স্থানীয় লোকৰ জীৱিকাৰ বিকাশ সাধনৰ বাবে জনসমুদায়টোৰ পৰিয়ালসমূহৰ বাস্তৱ স্থিতি অধ্যয়ন কৰা।

**আৰ্হিৰ ব্যৱহাৰ আৰু**
**পি আৰ এৰ ফলাফল** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—
সামাজিক মানচিত্ৰ, সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ
সময়ভিত্তিক পৰ্যালোচনা
জীৱন ধাৰণৰ অৱস্থাসমূহ
ভেন চিত্ৰ, চপাটি চিত্ৰ
অনুসূচী ঃ ৩ত ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে

**মাপ নিৰূপণ** ঃ তলত উল্লেখ কৰা বিষয়কেইটাৰ ওপৰত মাপ নিৰূপণ প্ৰক্ৰিয়া হাতত লোৱা হয়—
(ক) জীৱিকা আৰু দক্ষতা বিকাশ, (খ) আৰম্ভ কৰিব পৰা কাৰ্যব্যৱস্থা (ই পি এ)
**অনুসূচী-৩**ত উল্লিখিত বিষয় দুটাৰ বিশ্লেষণ কৰিছে। তাত দেখুওৱা হৈছে—
জীৱিকা আৰু দক্ষতা বিকাশৰ মাপ নিৰূপণ

| ক্ৰঃ নং | গ্ৰামীণ ই পি এ নিৰূপিত মাপত | বিশদ বিৱৰণ অনুসূচী নং ৩ত | সম্ভাব্য বিত্তীয় উৎস/বিভাগ |
|---|---|---|---|
| ১ | খোৱাপানী | জে এফ এম চি এলেকাত অতি কমেও ৪০টা কুঁৱাৰ প্ৰয়োজন আছে। অঞ্চলটোৰ পানীত অধিক পৰিমাণৰ আৰ্ছেনিক আছে। | এ পি এফ বি চি, পি ডব্লিউ ডি বিভাগ, চৰকাৰী আঁচনি |
| ২ | পথ যোগাযোগ | ৰাষ্ট্ৰীয় ঘাইপথ নং ৫৪ৰ পৰা কৰমগাঁৱলৈ ২ কিঃ মিঃ পকী কৰা | পি এম জি এছ ৱাই/পি ডব্লিউ ডি |
| ৩ | বিদ্যুৎ | জে এফ এম চিৰ সকলো আৱাসতে বিদ্যুৎ সংযোগ কৰা | দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা |
| ৪ | বিদ্যালয় | উচ্চ প্ৰাথমিক বিদ্যালয় | এছ এছ এ/প্ৰাথমিক শিক্ষা বিভাগ |
| ৫ | অনাময় | প্ৰতি আৱাসতে নিম্ন ব্যয়সাপেক্ষ অনাময় ব্যৱস্থা | স্বচ্ছ ভাৰত অভিযান/পি এইচ ই ডি |

- জীৱিকাৰ অন্বেষণৰ বাবে ই পি এৰ নিধিৰ পৰা দুই লাখ টকা মূলধনী ব্যয় হিচাপে মঞ্জুৰ কৰা।
- সমুদায়ৰ কামৰ বাবে নিম্ন ব্যয়সাপেক্ষ চালি ঘৰ তথা জে এফ এম চিৰ কাৰ্যালয় স্থাপনেৰে সা-সঁজুলি আদি ৰখা ঘৰ নিৰ্মাণ।
- সমুদায়ৰ উমৈহতীয়া জীৱিকামূলক কাম-কাজৰ বাবে ই পি এৰ নিধিৰ পৰা নিম্ন ব্যয়সাপেক্ষ চালি ঘৰ নিৰ্মাণ।

জীৱিকা আৰু দক্ষতাৰ শ্ৰেণীবদ্ধকৰণ—

(১) কৃষি

(২) পশুপালন

(৩) হস্ততাঁত

(৪) ৰেচম

(৫) বাঁহ-বেতৰ শিল্প

**জীৱিকাৰ সুযোগ** ঃ তলত জীৱিকাৰ সুযোগসমূহ উল্লেখ কৰা ধৰণে চিহ্নিত কৰা হৈছে—

কৃষি আৰু উদ্যান শস্য

পশুপালন (পশু ধন)

এন টি এফ পি/এম এ পি

দক্ষতা বিকাশ

ঋণৰ সুবিধা

উল্লিখিত বিষয়ত অতিৰিক্ত আলোচনা আগবঢ়োৱা হ'ল—

**কৃষি আৰু উদ্যান শস্য** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১২**ত কৃষি আৰু উদ্যান শস্য ক্ষেত্ৰখনত জীৱিকাৰ সুযোগ সম্পৰ্কে বিবেচনা কৰিব পৰা যায়—

**মূল আসোঁৱাহসমূহ—**

(ক) সাৰ, কীটনাশক আদিৰ নিম্ন পৰিমাণৰ ব্যৱহাৰ

(খ) জলসিঞ্চনৰ অভাৱ

(গ) কৃষি আন্তঃগাঁথনি, আধুনিক সা-সৰঞ্জাম, পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ

(ঘ) অধিক উৎপাদনমুখী বীজৰ ব্যৱহাৰৰ অভাৱ

**সুযোগসমূহ—**

(ক) উপযুক্ত আৰু নিয়ন্ত্ৰিত পৰিমাণৰ সাৰ-কীটনাশকৰ ব্যৱহাৰ

(খ) আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ

(গ) উপযুক্ত প্ৰশিক্ষণ

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ ঃ**

(ক) ট্ৰেক্টৰ চালনাৰ প্ৰশিক্ষণ

(খ) কৃষি কৰ্ম দক্ষতা বিকাশ আঁচনি

(গ) কীটনাশক, সাৰ আদিৰ ব্যৱহাৰৰ লগতে উচ্চ উৎপাদনমুখী কৃষিৰ প্ৰশিক্ষণ

**পশুধন** ঃ **তালিকা নং- ১৩**ত পৰিয়ালৰ আৰ্থিক সকাহৰ বাবে পশুধন পালনৰ সুযোগ সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।

**মূল আসোঁৱাহসমূহ—**

(ক) পশুখাদ্য ক্ৰয়ৰ বাবে বিত্তীয় সাহায্যৰ অভাৱ

(খ) সেউজীয়া গছপাত আৰু শস্যৰ অৱশিষ্ট কেৱল ৩ৰ পৰা ৬ মাহহে উপলব্ধ।

সেউজীয়া ঘাঁহ বছৰজুৰি পোৱা নাযায়।

(গ) পশু চিকিৎসা কেন্দ্ৰৰ অভাৱ

(ঘ) পশুপালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ

**সুযোগসমূহ—**

(ক) পশুধনৰ পৰা 'উচ্চ হাৰত আয়'ৰ সম্ভাৱনা

(খ) প্ৰায়ভাগ লোকেই এই কাৰ্যত জড়িত হৈ থাকে।
**দক্ষতা বিকাশৰ কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**
(ক) ছাগলী, (খ) গাহৰি, (গ) গাইগৰু পালন

**এন টি এফ পি** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৪**ত এন ডব্লিউ এফ পিৰ পৰা হ'ব পৰা সুযোগসমূহ উল্লেখ কৰা হৈছে—
**মূল আসোঁৱাহসমূহ—**
(ক) উপযুক্ত জ্ঞানৰ অভাৱৰ বাবে এন টি এফ পিৰ ব্যৱহাৰৰ অভাৱ।
(খ) অধিক উৎপাদনমুখী বীজ আদিৰ ব্যৱহাৰৰ/বিকাশৰ বাবে গৱেষণাৰ অভাৱ।
(গ) কাৰিকৰী জ্ঞানৰ অভাৱ।
(ঘ) প্ৰসংস্কৰণ উদ্যোগ গোটৰ অভাৱ।
(ঙ) প্ৰশিক্ষিত ব্যক্তি আৰু যন্ত্ৰপাতিৰ অভাৱ।
(চ) স্থানীয়ভাৱে যন্ত্ৰপাতি নিৰ্মাণৰ সুবিধাৰ অভাৱ।
**সুযোগসমূহ—**
(ক) কৃষিকৰ্মত ব্যৱহাৰ নকৰা উৰ্বৰ মাটি উপলব্ধ।
(খ) উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উপলব্ধ।
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**
(ক) খাদ্যশস্য ৰোপণ।
(খ) ঔষধি গছ আদি ৰোপণ।

**বিশেষ দক্ষতাৰ বিকাশ** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৫**ত দক্ষতা বিকাশৰ সুযোগসমূহ উল্লেখ কৰা হৈছে।
**মূল অসুবিধাসমূহ—**
(ক) উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰৰ অভাৱ।
(খ) উৎপাদিত সামগ্ৰীৰ গুণমানৰ বাবে গৱেষণাৰ অভাৱ।
(গ) টি কিউ এম পদ্ধতি ব্যৱহাৰৰ অভাৱ।
**সুযোগসমূহ—**
(ক) উপযুক্ত যোগাযোগ ব্যৱস্থা।
(খ) দক্ষতাৰ প্ৰশিক্ষণ।
(গ) চৰকাৰৰ পৰা বিত্তীয় সাহায্য।
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**
(ক) আধুনিক যন্ত্ৰ-পাতিৰ ওপৰত প্ৰশিক্ষণ দিয়া
(খ) গাঁওবাসীক আধুনিক প্ৰযুক্তিগত জ্ঞান আৰু সঁজুলি যোগান ধৰা।
(গ) সামগ্ৰীৰ বিভিন্ন ৰূপান্তৰেৰে উৎপাদন আৰু নতুন সামগ্ৰীৰ উৎপাদন বিকাশৰ বাবে দক্ষতা বিকাশ তথা প্ৰশিক্ষণ।
(ঘ) কেঁচামাল মজুতকৰণ বেংক স্থাপন
(ঙ) প্ৰতিষ্ঠানগত বৃহৎ ক্ৰেতা প্ৰতিষ্ঠানৰে যোগসূত্ৰ স্থাপন কৰা

**ঋণ সুবিধা** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৬**ত এই বিষয়ে বিশদ আলোচনা কৰা হৈছে।
**মূল আসোঁৱাহসমূহ কাৰণৰ সৈতে—**
(ক) বিত্তীয় ব্যৱস্থাৰ অভাৱ।
(খ) অসংগঠিত ঋণদাতা জড়িত।
**সুযোগসমূহ—**
(ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।
(খ) পৰ্যাপ্ত সজাগতা বৃদ্ধি কৰা।
(গ) আধুনিক যন্ত্ৰপাতিৰ বাবে ঋণ প্ৰদান কৰা।
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) গাঁওখনৰ নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

**কৌশলগত হস্তক্ষেপ** ঃ জীৱিকা বিকাশ পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে ওপৰোক্ত পৰামৰ্শসমূহৰ সাৰাংশ এনে ধৰণৰ—

**(১) কৃষি আৰু উদ্যান শস্য** ঃ ট্ৰেক্টৰ চলোৱা প্ৰশিক্ষণ, কৃষিভিত্তিক দক্ষতা বিকাশ আঁচনি গ্ৰহণ, কীট-পতংগ, সাৰ, অধিক হাৰত উৎপাদন হোৱা হাইব্ৰীড খেতি আদিৰ প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা।

**(২) পশুধন** ঃ গাহৰি পালন, হাঁহ-কুকুৰা পালন, গো পালন, ছাগলী পালন।

**(৩) এন ডব্লিউ এফ পি** ঃ খাদ্য শস্য, ঔষধি গছ (এম এ পি) আদি ৰোপণ।

**(৪) বিশেষ দক্ষতা বিকাশ** ঃ আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰৰ প্ৰশিক্ষণ, গ্ৰামাঞ্চলৰ জনসাধাৰণক আধুনিক প্ৰযুক্তিৰ জ্ঞান আৰু সঁজুলি যোগান ধৰা, নতুন সামগ্ৰী উৎপাদনৰ প্ৰশিক্ষণ, সামগ্ৰীৰ নতুন ৰূপান্তৰণৰ বাবে দক্ষতা বিকাশ, কেঁচামাল মজুতকৰণ কক্ষ বা বেংক স্থাপন আৰু ক্ৰেতা প্ৰতিষ্ঠানৰ সৈতে বজাৰ সংযোগ স্থাপন।

**(৫) ঋণ সুবিধা** ঃ নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

## ১১ জীৱিকা বিকাশ পৰিকল্পনা

**আয় বৃদ্ধিৰ কাৰ্যব্যৱস্থা** ঃ গাঁওখনত আয় বৃদ্ধিৰ কাৰ্যব্যৱস্থা সম্পৰ্কত তলত দিয়া ধৰণে পৰিকল্পনা কৰা হয়—

**কৃষিখণ্ডত**

(১) পশুপালন

(২) কৃষি

(৩) উদ্যান শস্য

**অকৃষিখণ্ডত**

(১) বয়ন

(২) ইলেক্ট্ৰিচিয়ান

(৩) কাঠ মিস্ত্ৰী

(৪) চিলাই

**এছ এইচ জিৰ কাৰ্যব্যৱস্থা** ঃ গাঁও এলেকাত আত্মসহায়ক গোটে নিম্নোক্ত কাৰ্যব্যৱস্থাসমূহ হাতত ল'ব পাৰে—

(১) সজাগতা সৃষ্টি

(২) সংগঠন আৰু গোট গঠন

(৩) উমৈহতীয়াভাৱে গাঁওবাসীক জীৱিকামূলক কামত জড়িত কৰোৱা

**জ্ঞানবৰ্ধক ভ্ৰমণ** ঃ নিম্নোক্ত পৰিকল্পনা হাতত ল'ব পৰা যায়—

(১) নাই

(২) নাই

উৎস ঃ ৰেকৰ্ড-৪ৰ তালিকা-৩৪

**কাৰ্যব্যৱস্থাৰ সাৰাংশ** ঃ পৰৱৰ্তী পৃষ্ঠাত দিয়া হৈছে।

**সু-সংহতকৰণ** ঃ পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা বিষয়বোৰ ভাৰত চৰকাৰৰ আঁচনিসমূহত সু-সংহতভাৱে একাকীকৰণ কৰিব পৰা যায়।

(ক) গ্ৰাম্য নিয়োগৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি।

(খ) কৃষি আৰু ইয়াৰ সহযোগী ক্ষেত্ৰৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা।

(গ) জলাশয় বিকাশ, জলসিঞ্চনৰ বাবে ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা।

(ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান।

(ঙ) দক্ষতা বিকাশ আঁচনি

(চ) অন্যান্য আঁচনিৰ পৰা উপযুক্ত বিবেচিত হোৱা জীৱিকা বা গ্ৰামোন্নয়নৰ অন্যান্য আঁচনিকো সামৰি লোৱা। বৰ্তমান পৰিকল্পনাত ওপৰোক্ত সু-সংহত আঁচনিয়ে

দীৰ্ঘম্যাদী ফলাফল প্ৰদান কৰিব।

## ১২ কৰমগাঁও জে এফ এম চিৰ বনাঞ্চল বিকাশ আঁচনি

কৰমগাঁও জে এফ এম চিৰ অধীনত গ্ৰহণ কৰা ক্ষুদ্ৰ পৰিকল্পনা অনুসৰি বনাঞ্চল উন্নয়ন আঁচনিখন অঞ্চলটোৰ গাঁও পৰ্যায়ত চলোৱা পি আৰ এ অনুশীলনৰ অধীনত প্ৰস্তুত কৰা হয়। ইয়াৰ লক্ষ্য হৈছে জৈৱ-বৈচিত্ৰ্য আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ ভাৰসাম্যতাৰে বনাঞ্চল এলেকাটোত আৱাসীসকলৰ জীৱিকাৰ আৱশ্যকতাৰ ওপৰত প্ৰাধান্য দিয়া হৈছে।

**১. জে এফ এম চিৰ বনাঞ্চলৰ স্থিতি—** এই ক্ষুদ্ৰ পৰিকল্পনাই কৰমগাঁও জে এফ এম চিৰ অধীনত জে এফ এম বনাঞ্চলৰ নিম্নলিখিতসমূহ বিষয়সমূহ বিবেচনা কৰে।

(ক) বন বিভাগে জে এফ এম চিসমূহক দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাসমূহ।

(খ) ঘোষিত এলেকাৰ বাহিৰৰ মাটি অথবা জনসমুদায়টোৰ নিজাববীয়া মাটিত বৃক্ষৰোপণ কৰা এলেকা বা কৰিবলগীয়া এলেকাসমূহ। জে এফ এম চিৰ বনাঞ্চলসমূহৰ উল্লিখিত শ্ৰেণী দুটাৰ স্থিতিৰ ওপৰত তলত আলোচনা কৰা হ'ল—

**১.১ বনাঞ্চল আৰু ইয়াৰ বৰ্তমান অৱস্থা ঃ** ক্ষুদ্ৰ পৰিকল্পনা আঁচনিৰ অতিৰিক্ত তালিকা সূচীত সংলগ্ন বনাঞ্চল উন্নয়ন আঁচনি শীৰ্ষক **প্ৰ-পত্ৰ নং- ৩ৰ তালিকা নং- ৩.১** জে এফ এম চিৰ দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাৰ স্থিতিৰ বৰ্ণনা দিয়া হৈছে। অন্যান্য এলেকাত বৃক্ষৰোপণ কৰা ক্ষেত্ৰ আৰু বৃক্ষৰোপণ কৰিবলগীয়া ক্ষেত্ৰসমূহৰ স্থিতি মূল্যায়ন কৰাৰ পাছত কৰমগাঁও জে এফ এম চিৰ বনাঞ্চলৰ সবিশেষ সাৰাংশ উল্লেখ কৰা হ'ল—

**তালিকা নং-১** কৰমগাঁও জে এফ এম চিৰ বনাঞ্চলৰ স্থিতি—

| **চিহ্নিত এলেকা** | **জেএফএমচি বনাঞ্চল এলেকা (হেক্টৰ)** | **গাঁৰৰ পৰা দূৰত্ব (কিঃমিঃ)** | **বনাঞ্চলৰ অৱস্থা (ভাল- ৪০%তকৈ অধিক ঘন বনাঞ্চলৰ বাদে হতাশাজনক)** | **কিমান সঘনাই ব্যৱহাৰ হয় (২-৩ মিঃ, ৩-৬ মিঃ, ৬-৯ মিঃ, ৯ মিঃতকৈ অধিক)** |
|---|---|---|---|---|
| (ক) দায়িত্ব অৰ্পণ কৰা | | | | |
| আৰ এফ/পি এফৰ নাম ঃ ডবকা আৰ এফ বিট ঃ হালধিআটী | ৩০০ হেক্টৰ | ০ কিঃ মিঃ | ভাল এলেকা- ৩০০ হেক্টৰ<br>হতাশাজন এলেকা- নাই | ২-৩ মিঃ |
| (খ) অন্যান্য বৃক্ষৰোপণ হোৱা ঠাই বা এলেকা | | | | |
| পৰিসীমা ঃ নাই<br>বনাঞ্চলৰ ধৰণ ঃ নাই<br>ভি এফ/অন্যান্য— | | | | |
| মুঠ | ৩০০ হেক্টৰ | | ভাল এলেকা- ৩০০হেক্টৰ<br>হতাশাজনক এলেকা ঃ নাই | |

**উৎস ঃ প্ৰপত্ৰ- ৩, তালিকা ৩.১/** অঞ্চলটোৰ সদস্যসকল আৰু বন বিভাগৰ সৈতে আলোচনামৰ্মে।

দেখা যায় যে কৰমগাঁও জে এফ এম চিৰ অধীনত ৩০০ হেক্টৰ বনাঞ্চল

আছে। যাৰ ভিতৰত ৩০০ হেক্টৰ মাটিয়েই ভাল বুলি বিবেচিত।

**১.২ ঃ বনাঞ্চলৰ মাটিৰ ধৰণ ঃ**

কৰমগাঁও জে এফ এম চি এলেকাধীন বনাঞ্চল পলসযুক্ত মাটিত অৱস্থিত। তলৰ তালিকাখনত বনাঞ্চলটোৰ মাটিৰ ধৰণবোৰ দাঙি ধৰা হ'ল—

**তালিকা নং- ২ ঃ** জে এফ এম চিৰ বনাঞ্চলীয় মাটিৰ বিৱৰণ—

| **গুণাগুণৰ জোখ-মাপ** | **দায়িত্ব অৰ্পণ কৰা বনাঞ্চলৰ স্থিতি** | **বৃক্ষৰোপণ কৰা অন্যান্য মাটিৰ স্থিতি** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩১ পৰা ২.৯৪ শতাংশ জৈৱিক মাটিৰ গুণমানত N,P205 আৰু K20 উপাদান কম | নাই |
| খহনীয়াৰ স্থিতি | নাই | নাই |
| উপস্থিতি ঃ | | |
| গেদ | ১৫ শতাংশ | নাই |
| বোকা-পলশ | ২০ শতাংশ | নাই |
| নতুন সংযোজিত মাটি | কম | নাই |
| বালিয়ৰি মাটি | ৬৫ শতাংশ | নাই |

**উৎস ঃ প্ৰ-পত্ৰ- ৩** '(খ) বনাঞ্চলৰ মাটিৰ ধৰণ'/স্থানীয় সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

কৰমগাঁও জে এফ এম চিৰ বাবে বনাঞ্চলটোৰ মাটিৰ ধৰণসমূহত মূল লক্ষণবোৰৰ সাৰাংশ—

(ক) এণ্টিছ'ল- ৩২.৩ শতাংশ, (খ) ইনছেপ্টিছ'ল- ৪৯.৩ শতাংশ,
(গ) এলফিছ'ল- ১২.৩ শতাংশ, (ঘ) আল্টিছ'ল- ৬.১ শতাংশ।

**১.৩ ঃ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ—**

কৰমগাঁও জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত তলত উল্লেখ কৰা উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ বিদ্যমান। উল্লেখ্য যে স্থানীয় অৰণ্য এলেকা চিৰসেউজ বনাঞ্চলত শ্ৰেণীবদ্ধ কৰা হৈছে।

**তালিকা নং- ৩ ঃ কৰমগাঁও জে এফ এম চিৰ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ**

| **গুণাগুণৰ জোখমাপ** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| প্ৰধান অৰণ্য প্ৰজাতি | টীক | টেক্টনা গ্ৰেণ্ডিছ লিন |
| সহযোগী | গামাৰী | গোমেলিনা আৰবৰীয়া |
| জোপোহা ঘাঁহনি, বন | ঢেঁকীয়া | ফাৰ্নছ |
| | ভোটজলকীয়া | কেপচিকাম চিনেন্স |
| ঔষধি গছ | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | শিলিখা | টাৰমিনালিয়া চেবুলা |
| | নিম | আজাডাইৰাক্টা ইণ্ডিকা |
| | আমলখি | ফিল্লান্থাছ ইন্লিকা |
| অন্যান্য | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইদাং বেত | কেলামাছ ৰোটাং |
| | চুলি বেত | কেলামাছ ফ্লেজলাম |

| | | |
|---|---|---|
| | লেজাই বেত | কেলামাছ ফ্লৰিবুণ্ডাছ |
| | কাকো বাঁহ | ডি. হামিল্টনী |
| | পাহাৰী জাতি বাঁহ | অক্সিটেনথেৰা পাৰ্ভিফলিয়া |
| | দুলু বাঁহ | ছিজোষ্টাচিয়াম ডুল্লৰা |
| | আমলখি | এমব্লিকা অফিচিনালিছ |
| | হলখ | টাৰ্মিনালিয়া মাইৰিঅ'কাৰ্পা |
| | হোলং | ডিপ্টেৰ'কাৰপাছ মেক্ৰ'কাৰপাছ |
| | অৰ্জুন | টাৰ্মিনালিয়া অৰ্জুন |
| | অগৰ | ইকুইৰাৰিয়া আগালছা |

**উৎস ঃ প্ৰ-পত্ৰ- ৩,** '(গ) উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ'/জনসমুদায়টোৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

**২. বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে আন বিষয়সমূহ—**

কৰমগাঁও জে এফ এম চিৰ অধীনত বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে নিম্নোক্ত বিষয়সমূহ অন্তৰ্ভুক্তিৰ বাবে আলোচনা কৰা হয়—

**২.১ জে এফ এম চিয়ে বন সংৰক্ষণৰ বাবে পূৰ্বে লোৱা ব্যৱস্থাসমূহ—**

কৰমগাঁও জে এফ এম চিয়ে বন সংৰক্ষণৰ বাবে মুঠতে লোৱা ব্যৱস্থাসমূহৰ সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত আলোচনা কৰা হয়—

**(ক) পৰিয়াল জড়িত ঃ** ৬৫, **(খ) ব্যক্তি জড়িত ঃ** ৬৫

**(গ) ব্যৱস্থাৱলীৰ সাৰাংশ ঃ** উপস্থিতি নাই

**(ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থাপনা ঃ** বন বিষয়াৰ দ্বাৰা টহল।

**উৎস ঃ প্ৰ-পত্ৰ- ৩,** 'জে এফ এম চিৰ স্থিতি- viii + ix/জে এফ এম চিৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

**২.২ ঃ বনজ উৎপাদনৰ পৰা ঘৰুৱা প্ৰয়োজনীয়তা**

তলৰ তালিকাত বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ প্ৰয়োজনীয়তা সম্পৰ্কে তথ্য দাঙি ধৰা হ'ল।

**তালিকা নং- ৪ (ক) ঃ কৰমগাঁও জে এফ এম চিৰ অধীনস্থ এলেকাৰ প্ৰতি পৰিয়ালৰ বাবে বনজ উৎপাদনৰ ঘৰুৱা প্ৰয়োজনীয়তা—**

| বনজ উৎপাদনৰ নাম | প্ৰতি ঘৰৰ বাবে প্ৰয়োজনীয়তা | | বৰ্তমান কেনেদৰে সংগ্ৰহ | উৎসসমূহ |
|---|---|---|---|---|
| | কিমান সঘনে আৰশ্যক | আনুমানিক পৰিমাণ | | |
| কাঠ খৰি | সৰ্বাধিক | ২৫২০ কেজি/বছৰ | | জে এফ এম চি বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | মাজে-সময়ে | ২-৩ ডাল/বছৰ | | জে এফ এম চি বনাঞ্চল |
| আন কাৰ্য সম্পাদনাৰ বাবে সৰু টুকুৰা কাঠ | নাই | | | |
| খুঁটা/বাঁহ | মাজে-সময়ে | ২-৩ বাঁহ/মাহ | | জে এফ এম চি বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশু খাদ্য | সৰ্বাধিক | ২১৬০ কেজি/বছৰ | | জে এফ এম চি বনাঞ্চল |
| এনটিএফপি | সৰ্বাধিক | ৩৬০০ কেজি/বছৰ | | জে এফ এম চি বনাঞ্চল |
| অন্যান্য | — | — | | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩ তালিকা নং- ৩.২/সমুদায়ৰ অন্যান্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ কৰমগাঁও জে এফ এম চি এলেকাত ৬৫টা পৰিয়ালৰ ঘৰ আছে। ওপৰোক্ত তালিকা আৰু এই আৱাসৰ সংখ্যাৰ পৰা স্পষ্ট হৈছে যে কৰমগাঁৰত বনজ সম্পদৰ বাৰ্ষিক প্ৰয়োজনীয়তা তলত দিয়া ধৰণেৰে হয়—

**তালিকা নং- ৪ (খ) ঃ বনজ সম্পদৰ সৰ্বমুঠ ঘৰুৱা প্ৰয়োজনীয়তা কৰমগাঁও জে এফ এম চিৰ সকলো আৱাসী পৰিয়ালৰ বাবে—**

| বনজ উৎপাদনৰ নাম | সমুদায়টোৰ বাবে আৱশ্যক (কিঃগ্ৰাঃ/একক প্ৰতি বৰ্ষ) (*) | মন্তব্য |
|---|---|---|
| কাঠ খৰি | ৪৬৮০০ | বছৰজুৰি |
| ঘৰৰ কাৰণে কাঠ | ২৬০ | ডিচেম্বৰ- জানুৱাৰী |
| গৃহ নিৰ্মাণৰ বাবে সৰু কাঠ | — | |
| খুঁটা-বাঁহ | ১৯০ডাল বাঁহ | ডিচেম্বৰ- জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশু খাদ্য | ১৩৮৬০০ | বছৰজুৰি |
| এন টি এফ পি | ২৩৪০০ | বছৰজুৰি |
| অন্যান্য | নাই — | |

**উৎস ঃ তালিকা নং** ৪ (ক) আৰু জনসমুদায়টোৰ তথ্যৰ আধাৰত মুঠ আৱাসৰ সংখ্যাৰ পৰা (*) = তালিকা নং ৪ (ক)ৰ পৰা আনুমানিক গড় হিচাপত প্ৰতি গৃহত প্ৰয়োজনীয়তা × ৬৫ আৱাস।

ঃ **২.৩ ঃ সংগ্ৰহ আৰু গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদনৰ বজাৰ ঃ** ঘৰৰ ব্যৱহাৰৰ উপৰি গাঁওবাসীয়ে বনজ উৎপাদনৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰতো বিক্ৰী কৰে। কৰমগাঁও জে এফ এম চিৰ অন্তৰ্গত গাঁওবাসীয়ে তলত দিয়া তালিকা অনুসৰি বনজ উৎপাদনৰ সংগৃহীত সামগ্ৰী বজাৰলৈ নিয়ে।

**তালিকা নং- ৫ (ক) ঃ কৰমগাঁও জে এফ এম চিৰ গাঁওবাসীয়ে কৰা বনজ সম্পদৰ সংগৃহীত সামগ্ৰীৰ বাণিজ্যিকীকৰণ।**

| বনজ উৎপাদিত সামগ্ৰীৰ নাম | বজাৰৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু/মাহ | সংগ্ৰহ কৰা ঘৰৰ সংখ্যা | গড় অনুপাত সংগ্ৰহ (কেজি) | |
| কাঠ খৰি | বছৰজুৰি | ৬৫ | ১৮০০ | বনাঞ্চল |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | — | — | — | — |
| অন্যান্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | — | — | — | — |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশু খাদ্য | বছৰজুৰি | ৬৫ | ২৩ কে জি/বছৰ | বনাঞ্চল |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৩/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

এইক্ষেত্ৰত তলৰ তালিকাত অতিৰিক্ত সূচীত তথ্য সন্নিৱিষ্ট কৰা হৈছে—

**তালিকা নং- ৫ (খ) ঃ বনজ উৎপাদন সামগ্ৰীৰ সংগ্ৰহ আৰু বজাৰৰ অতিৰিক্ত তথ্য (কৰমগাঁও জেএফএমচি)**

| বনজ উৎপাদিত সামগ্ৰী | অতিৰিক্ত বিক্ৰী | কেনেদৰে বিক্ৰী | গড় আয় প্ৰতি গৃহ, বনজ উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ পৰা |
|---|---|---|---|
| কাঠ খৰি | ১১৭০০০ কেজি/বছৰ | পাৰখোৱা বজাৰ | ১৬০০-২০০০/মাহ |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | — | — | — |
| অন্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশু খাদ্য | ১৮০০ কেজি/বছৰ | পাৰখোৱা বজাৰ | ১৫০০-২০০০/মাহ |
| এন টি এফ পি | — | — | — |
| অন্যান্য | — | — | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৪/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ **২.৪ বনজ উৎপাদনৰ সৰ্বমুঠ আৰশ্যকীয়তা-ঘৰুৱা ব্যৰহাৰ আৰু বজাৰ বিপণন—** কৰমগাঁও জে এফ এম চিৰ আৰাসী সদস্যসকলৰ দ্বাৰা ব্যৰহৃত বনজ উৎপাদন সামগ্ৰীৰ সৰ্বমুঠ প্ৰয়োজনীয়তাৰ মূল সাৰাংশ তলত উল্লেখ কৰা হ'ল— (ওপৰোক্ত উপ-খণ্ডসমূহৰ তথ্যৰ ভিত্তিত)

**তালিকা নং- ৬ ঃ কৰমগাঁও জে এফ এম চিৰ আৰাসী গাঁওবাসীৰ দ্বাৰা ব্যৰহৃত বনজ সামগ্ৰী—**

| বনজ উৎপাদিত সামগ্ৰীৰ নাম | জনসমুদায়টোক আৰশ্যক (প্ৰতি বছৰত/কিলোগ্ৰাম তালিকা নং ৪ (খ) | অতিৰিক্ত বজাৰ বিপণন কিঃগ্ৰাঃ তালিকা ৫ (খ) | সৰ্বমুঠ আৰশ্যক কেজি |
|---|---|---|---|
| কাঠ খৰি | ৪৬৮০০ | ১১৭০০০ | ১৬৩৮০০ |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | ২৬০ | — | ২৬০ |
| অন্য সামগ্ৰীৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ১৯০ ডাল | — | ১৯০ ডাল |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১৩৮৬০০ | ১৮০০ | ১৪০৪০০ |
| এন টি এফ পি | ২৩৪০০০ | — | ২৩৪০০০ |
| অন্যান্য | — | — | — |

**উৎস ঃ তালিকা নং-** ৪ (খ) আৰু ৫ (খ) ইতিপূৰ্বে উল্লিখিত

ঃ **৩. বন সংৰক্ষণ/সুৰক্ষা বিষয়সমূহ**

**৩.১ সংৰক্ষণৰ সমস্যাৱলী ঃ** কৰমগাঁও জে এফ এম চিৰ বনাঞ্চল সংৰক্ষণ সম্পৰ্কীয় সমস্যাসমূহৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল—

**তালিকা নং ৭ ঃ কৰমগাঁও জে এফ এম চিৰ বনাঞ্চলৰ সংৰক্ষণ সমস্যা—**

| **সমস্যাৰ ধৰণ** | **আনুষংগিক সমস্যা আছে/নাই** | **লেখত ল'বলগীয়া হয়/নহয়** |
|---|---|---|
| ঘাঁহনি পথাৰ- স্থানীয় পশুৰ | আছে | আছে |
| ঘাঁহনি পথাৰ- অন্য এলেকাৰ বাবে | আছে | আছে |
| অবৈধভাৱে গছ কটা | নাই | নাই |
| কাঠৰ চোৰাং ব্যৱসায় | আছে | আছে |
| বনজুই | আছে | আছে |

| | | |
|---|---|---|
| বনভূমি বেদখল | আছে | আছে |
| ভাবুকি/সাপে কামোৰা | আছে | আছে |
| ঔষধি গছ চুৰি | আছে | আছে |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৫/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ এতেকে উল্লিখিত জে এফ এম চিয়ে সন্মুখীন হোৱা বন সংৰক্ষণ বিষয়ক লেখত ল'বলগীয়া সমস্যাৰ কথাকেইটা হ'ল—

(ক) স্থানীয় পশু ধনৰ চৰণীয়া ঘাঁহনি পথাৰ।

(খ) আন এলেকাৰ পশু ধনৰ চৰণীয়া ঘাঁহনি পথাৰ।

**৪. বনাঞ্চল উন্নয়ন আঁচনিৰ বিষয়বস্তু ঃ**

কৰমগাঁও জে এফ এম চিৰ বন উন্নয়ন আঁচনিৰ মূল বিষয়বস্তু সম্পৰ্কত তলৰ গাঁওসমূহে আলোচনা কৰিছে। যেনে— সংৰক্ষণৰ পৰিকল্পনা, বনাঞ্চলৰ বিকাশ (যাৱতীয় ব্যৱস্থা), গছপুলিৰ বিকাশ (নাৰ্ছাৰী), সামগ্ৰিক ব্যৱস্থাপনা আৰু অন্যান্য কাৰ্য ব্যৱস্থাপনা।

**৪.১ সংৰক্ষণ পৰিকল্পনা ঃ**

তলত উল্লেখ কৰা সংৰক্ষণ পৰিকল্পনাত কৰমগাঁও জে এফ এম চিৰ বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থাপনাৱলী সম্পৰ্কত আলোচনা কৰা হৈছে, যিবোৰ ইতিমধ্যে উপখণ্ড ৩.১ত আলোচিত হৈছে—

**তালিকা নং- ৮, কৰমগাঁও জে এফ এম চিৰ বনাঞ্চল সংৰক্ষণ পৰিকল্পনা—**

| **সংৰক্ষণৰ কাম ঃ** প্ৰ-পত্ৰ- ৩ত ধাৰ্য কৰামৰ্মে তালিকা নং ৩.৭ৰ পৰা গ্ৰহণযোগ্য হিচাপত পূৰ কৰিব লাগিব | **বনাঞ্চল এলেকাৰ স্থান** | **ব্যৱস্থাপনাৱলীৰ নিৰ্দিষ্ট অৰ্হতা** (দীঘ, এলেকা, পৰিসৰ ইত্যাদি) | **সময়** | **অগ্ৰাধিকাৰ সৰ্বোচ্চ/মধ্যম/ নিম্ন** |
|---|---|---|---|---|
| নিৰীক্ষক নিযুক্তি | আৰ এফ | ৩ কিঃ মিঃ | ৬ পি এম-৬ এ এম | সৰ্বোচ্চ |
| খবৰ দিওঁতালৈ পুৰস্কাৰ | আৰ এফ | ৩ কিঃ মিঃ | সকলো সময়ত | সৰ্বোচ্চ |
| জুইৰ পৰা সুৰক্ষা | আৰ এফ | ৩ কিঃ মিঃ | সকলো সময়ত | সৰ্বোচ্চ |

**উৎস ঃ** প্ৰ-পত্ৰ- ৩, তালিকা নং ৩.৭/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

এতেকে দেখা গৈছে যে তলত উল্লেখ কৰা ধৰণে কৰমগাঁও জে এম এফ চিত (সৰ্বোচ্চ বা মাধ্যম পৰ্যায়ৰ অগ্ৰাধিকাৰৰ ভিত্তিত) সংৰক্ষণ পৰিকল্পনাৰ কাৰ্যকৰী ব্যৱস্থা লোৱা উচিত—

(ক) সামাজিক সংৰক্ষণ বেহু।

(খ) বনজুইৰ পৰা সুৰক্ষা।

**৪.২ বনাঞ্চল উন্নয়ন ঃ কাৰ্য ৰূপায়ণ আঁচনি**

শালগছবিহীন গছপুলি খণ্ড খণ্ড হিচাপে ৰোপণ কৰাৰ কাৰ্য আঁচনি—

বৃক্ষৰোপণ আঁচনিৰ নাম ঃ শালবিহীন গছ খণ্ড খণ্ডকৈ ৰোপণ (ব্লক প্লেণ্টেচন)

বৃক্ষৰোপণৰ সময়-কাল ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬লৈ (১০ বছৰ)

বৃক্ষৰোপণ এলেকা ঃ —

বৃক্ষৰোপণৰ ব্যৱধান ঃ —

গছপুলি ৰোপণ প্ৰতি বছৰত ঃ —

বৃক্ষৰোপণৰ বাবে খণ্ড এলেকা ঃ —
প্ৰজাতি ঃ —
মূল্য ঃ —

| বৃক্ষৰোপণ কৰিবলৈ কাৰ্য আঁচনি | |
|---|---|
| **বিত্তীয় বৰ্ষ** | **কাৰ্যব্যৱস্থা** |
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ বাবে উপযুক্ত ঠাই চিনাক্তকৰণ, প্ৰাকৃতিকভাৱে গছপুলি উৎপাদনৰ সম্ভাৱনীয়তা পৰীক্ষা, বতৰৰ প্ৰতিকূল প্ৰভাৱ বা ইয়াৰ চাপ নিৰ্ধাৰণ, ১০০ হেক্টৰৰ কম হ'ব নালাগিব। ডিচেম্বৰ-জানুৱাৰী মাহত মাটিৰ সীমা নিৰ্ধাৰণ, ৪টা খণ্ডত মাটিকালি ভাগ কৰা, মাটি চহোৱা বা উপযুক্ত ধৰণে বিকশাই তোলা, উৎপাদনক্ষম কৰা, মাটিৰ কামৰ বাবে ১০০০ টকা প্ৰতি হেক্টৰ। |
| ২০১৭-১৮* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ × ৩ মিঃ, ১,১১১ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। |
| ২০১৮-১৯* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ × ৩ মিঃ, ১,১১১ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ |
| | **প্ৰথম** অলাগতিয়াল গছ-বন আঁতৰোৱা/নিকাকৰণ কৰা ঃ প্ৰথম বছৰত ৰোপণ কৰা গছৰ অলাগতিয়াল ঠাল-ঠেঙুলি, অন্য মৃত বন-লতা আদি চাফা কৰা। |
| ২০১৯-২০* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ×৩ মিঃ ১,১১১ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। |
| | **দ্বিতীয়** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। |
| ২০২০-২১* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ×৩ মিঃ ১,১১১ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। |
| | **তৃতীয়** নিকাকৰণ |
